যি ইল্মৰ দ্বাৰা আল্লাহৰ সন্তুষ্টি অৰ্জন কৰিব পাৰি, তেনেকুৱা ইল্ম যিয়ে দুনিয়াৱী স্বাৰ্থ অৰ্জন কৰাৰ বাবে শিকে, সেই ব্যক্তিয়ে কিয়ামতৰ দিনা জান্নাতৰ সুগন্ধিও নাপাব।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যি ইল্মৰ দ্বাৰা আল্লাহৰ সন্তুষ্টি অৰ্জন
কৰিব পাৰি, তেনেকুৱা ইল্ম যিয়ে দুনিয়াৱী স্বাৰ্থ অৰ্জন কৰাৰ বাবে শিকে, সেই
ব্যক্তিয়ে কিয়ামতৰ দিনা জান্নাতৰ সুগন্ধিও নাপাব।" [ছহীহ] [(আবু দাঊদ,ইবনে মাজাহ, আহমদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত স্পষ্ট কৰিছে যে, যি শ্বাৰয়ী ইল্ম আল্লাহৰ সন্তুষ্টি অৰ্জনৰ বাবে শিকিব লাগে, তেনেকুৱা ইল্ম যদি কোনোবাই পাৰ্থিৱ উপাৰ্জনৰ বাবে শিকে, যেনে ধন-সম্পদ বা মান-মৰ্যাদা অৰ্জনৰ বাবে শিকে, সেই ব্যক্তি কিয়ামতৰ দিনা জান্নাত তো দূৰৰ কথা, জান্নাতৰ সুগন্ধিৰ পৰাও বঞ্চিত হ’ব।

http://sunnah.global/hadeeth/as/show/6262